# অস্কাৰ

## শ্ৰেষ্ঠত্বৰ দৌৰত আঠখন ছবি

— জিতুমণি পাঠক

ৰঙীন এক স্বপ্নময় পৰিৱেশ। তাৰ মাজতেই গুৰু-গম্ভীৰ কণ্ঠৰে ঘোষিত হয়— 'এণ্ড দ্য অস্কাৰ গ'জ টু...'। ঘোষকৰ মুখত এই শব্দকেইটা উচ্চাৰিত হোৱাৰ পাছত যি খন্তেক সময়ৰ নীৰৱতা সেয়াই সাধাৰণ দৰ্শকৰ কথা বাদেই, চলচ্চিত্ৰ জগতৰ সৈতে দীৰ্ঘদিনৰ পৰা সংপৃক্ত হৈ থকা অনেক ৰথী-মহাৰথীৰো হৃদস্পন্দন মুহূৰ্তৰ বাবে যেন স্তব্ধ কৰি দিব খোজে। কাৰণ এয়া হ'ল অস্কাৰ। প্ৰতিগৰাকীৰ চলচ্চিত্ৰৰ সৈতে জড়িত ব্যক্তিৰ প্ৰাপ্তিৰ এক সৰ্বোচ্চ বিন্দু। এটি মাথোঁ অস্কাৰৰ প্ৰাপ্তিয়েই হৈ পৰে তেওঁলোকৰ উৎকৰ্ষতাৰ মাপক। সেয়ে চলচ্চিত্ৰৰ সৈতে জড়িত প্ৰতিগৰাকীৰে স্বপ্ন এবাৰলৈও হ'লেও এই অস্কাৰক স্পৰ্শ কৰাৰ। অস্কাৰৰ এই দৌৰত বহুতে শাৰীত ভিৰ কৰে যদিও শেষ মনোনয়ন লাভ কৰে মাত্ৰ কেইখনমান ছবিয়েহে। অৱশ্যে ইয়াৰ মাজত শ্ৰেষ্ঠত্বৰ অস্কাৰ স্পৰ্শ কৰাৰ সপোন পূৰণ হয় মাথোঁ এখন ছবিৰ। তথাপি দৌৰত আহি ইয়াত উপনীত হ'ব পৰাটোও কম গৌৰৱৰ কথা নহয়। এইবাৰৰো অস্কাৰৰ শ্ৰেষ্ঠ হাঁহি শিতানত ভিৰ কৰিছেহি আঠখনকৈ উচ্চ মানবিশিষ্ট ছবিয়ে। ইয়াৰ কোনখন ছবিয়ে শেষ হাঁহি মাৰে সেয়া নিৰূপণ কৰা কঠিন। ৪ মাৰ্চত নিশ্চিত হ'ব তেওঁলোকৰ ভাগ্য। শ্ৰেষ্ঠত্বৰ দৌৰত ভাগ ল'বলৈ শাৰী পাতি থিয় হোৱা এই ছবিসমূহৰ ওপৰত চমু অৱলোকন আগবঢ়োৱা হ'ল—

**ডানকিৰ্ক (Dunkirk) : পৰিচালক : খ্ৰীষ্টোফাৰ নোলান।**


এই ছবিৰ কাহিনী দ্বিতীয় বিশ্বযুদ্ধৰ পটভূমিত ৰচিত। ডানকিৰ্ক বেলজিয়ামৰ সীমান্তৱৰ্তী উত্তৰ ফ্ৰান্সৰ এখন সৰু চহৰ। ১৯৪০ৰ সময়ত চৌদিশে বিশ্বযুদ্ধই গা কৰি উঠাৰ মুহূৰ্তত এই সৰু চহৰখনত বাহৰ পাতিছিল ফৰাচী, বেলজিয়াম আৰু ব্ৰিটিছ সৈন্যই। সেই সময়তে জাৰ্মান সৈন্যই চৌদিশৰ পৰা ঘেৰি ধৰিছিল ডানৰ্কিক চহৰক। চক্ৰবেহুত আবদ্ধ হৈ পৰাৰ পাছতো কিদৰে ফৰাচী, বেলজিয়াম আৰু ব্ৰিটিছ সৈন্যই



নাটকীয়ভাৱে বেহু ফালি সেই ঠাইৰ পৰা পলায়ন কৰিবলৈ সক্ষম হৈছিল তাৰে ওপৰত নিৰ্মিত এই ছবি।

**থ্ৰি বিলবোৰ্ডছ আউটছাইড এবিং, মিচৌৰী পৰিচালক : মাৰ্টিন মেকডোনা।**

সাতমাহ আগতে এগৰাকী মাতৃৰ কন্যাক কোনোবা বৰ্বৰে ধৰ্ষণ কৰি নিৰ্দয়ভাৱে হত্যা কৰিছিল। কিন্তু ইমান দিন পাছতো বিচাৰ প্ৰক্ৰিয়া একো আগনবঢ়াত হতাশগ্ৰস্ত সেই মাতৃগৰাকীয়ে চহৰৰ আওহতীয়া ঠাইত তিনিখন বিলবোৰ্ডছত (বিজ্ঞাপনত ব্যৱহৃত ফলক) ভাৰাত লয়। নিৰ্দিষ্ট অন্তৰালত থকা, সহজে পথচাৰীৰ আকৰ্ষণ হোৱা ফলকখনৰ



প্ৰথমখনত লিখা হয়— 'ধৰ্ষণৰ সময়তে মৃত্যু'। দ্বিতীয়খনত 'আজিলৈ কোনোবা গ্ৰেপ্তাৰ হ'লনে?' তৃতীয়খনত চহৰখনৰ পুলিচ বিষয়ালৈ উদ্দেশ্যি— 'কেনে খবৰ চীফ উইল'বি?' মুহূৰ্ততে এই তিনিখন বিলবোৰ্ডছে চহৰত আলোড়নৰ সৃষ্টি কৰে লগতে আঙুলিয়াই দেখুৱাই প্ৰশাসনিক ব্যৱস্থাৰ ফোঁপোলা স্বৰূপ। আৰু ইয়াৰ পাছৰ ঘটনাক্ৰম লৈয়েই আৰম্ভ হয় 'থ্ৰি বিলবোৰ্ডছ আউটছাইড এবিং, মিচৌৰীৰ' কাহিনীভাগ।

**লেডী বাৰ্ড : পৰিচালক গ্ৰেটা গাৰউইগ**



ছবিৰ কাহিনীভাগ এগৰাকী ১৭ বছৰীয়া কিশোৰীক লৈ কেন্দ্ৰীভূত। যৌৱনত উপনীত হোৱাৰ আগেয়ে এগৰাকী নাৰীৰ মানসিক দ্বন্দ্বৰ বিভিন্ন দিশসমূহ লেডী বাৰ্ডছত প্ৰতিফলিত হৈছে। এফালে স্কুলৰ সংগীৰ সৈতে গঢ়লৈ উঠা ৰোমাণ্টিক সম্পৰ্কৰ দোদুল্যমান স্থিতি তথা কড়া মাকৰ সৈতে বাঢ়ি যোৱা ব্যৱধান আৰু সুতীব্ৰ আকৰ্ষণ আদিক আকৰ্ষণীয় ৰূপত তুলি ধৰা হৈছে এই ছবিত।

**কল মি বাই ইয়'ৰ নেইম : পৰিচালক লুকা গোৱাডাগনিনো**

কল মি বাই ইয়'ৰ নেইম এখন ৰোমাণ্টিক ছবি। ১৯৮৩ চনৰ গ্ৰীষ্মকালৰ সময়ছোৱা কটাবলৈ ষোড়শী এলিয়' দেউতাকৰ সৈতে ইটালীলৈ আহে। ইয়াতে এলিয়'ৰ চিনাকী হয় দেউতাকৰ ছাত্ৰ হিচাপে



ডক্টৰেট ডিগ্ৰীৰ বাবে গৱেষণা কৰি থকা সুদৰ্শন যুৱক অলিভাৰৰ সৈতে। স্বাভাৱিকতে দুয়োৰে মাজত এক প্ৰেমৰ সম্পৰ্ক গঢ় লৈ উঠে আৰু ইয়ে তেওঁলোকৰ সমগ্ৰ জীৱনেই সলনি কৰি পেলায়। 'কল মি বাই ইয়'ৰ নেইম', পৰিচালক লুকা গোৱাডাগনিনোৰ ৰোমাণ্টিক ট্ৰিল'জীৰ অন্তিমখন ছবি। ইয়াৰ আগৰ দুখন ছবি আছিল আই এম লাভ আৰু এ বিগাৰ স্পেলস'।

**ডাৰ্কেষ্ট আৱাৰ : পৰিচালক জো ৰাইট**

ডাৰ্কেষ্ট আৱাৰৰ কাহিনীভাগ দ্বিতীয় বিশ্বযুদ্ধৰ এক সন্ধিক্ষণৰ সময়ছোৱাৰ বৰ্ণনা। হিটলাৰৰ নাজিবাহিনীৰ আগ্ৰাসনত সন্ত্ৰস্ত হৈ পৰিছে



সমগ্ৰ বিশ্ব। পশ্চিম ইউৰোপৰ ভাগ্য ওলমি ৰৈছে নৱনিযুক্ত ব্ৰিটিছ প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিলৰ ওপৰত। কাহানিও সুৰুয ডুব নোযোৱা ইংলেণ্ডে হিটলাৰৰ ওচৰত নতি স্বীকাৰ কৰিব নে নিজৰ নীতি-আদৰ্শৰ বাবে শেষ শক্তিকণ প্ৰয়োগ কৰিব তেনে এক শিহৰণকাৰী পৰিস্থিতিক লৈ নিৰ্মাণ হৈছে ডাৰ্কেষ্ট আৱাৰৰ কাহিনীভাগ।

**গেট আউট : পৰিচালক জৰ্ডান পিল**

কৃষ্ণাংগ খ্ৰীচে যেতিয়া প্ৰেমিক ৰ'জৰ পৰিয়ালক লগ কৰিবলৈ যায়



তেতিয়া প্ৰজাতিগত বৈষম্যৰ বাবে ৰ'জৰ পৰিয়ালৰ সদস্যসকলৰ এক অসহজ আচৰণ তেওঁৰ পৰিলক্ষিত হয়। সেয়া স্বাভাৱিক বুলি ভাবিবলৈ লওঁতেই এটাৰ পাছত আন এটা অভাৱনীয় ঘটনা ঘটিবলৈ লয়। খ্ৰীচৰ বাবে প্ৰেমিকাৰ পৰিয়ালৰ সৈতে লগ কৰিবলৈ যোৱা দিন হৈ পৰে এক ভয়াৱহ দুঃস্বপ্ন। গেট আউট মূলতঃ এখন হৰৰ ছবি

**ফেণ্টম থ্ৰেডছ : পৰিচালক পলটমাছ এণ্ডাৰছন**

ফেণ্টম থ্ৰেডছৰ কাহিনীভাগ আগবাঢ়িছে ১৯৫০ৰ গ্লেমাৰ জগতখনলৈ। ৰেনল্ড উডক'ক আৰু তেওঁৰ ভনীয়েক সেই সময়ৰ ফেশ্বন জগতৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। ৰাজপৰিয়ালৰ পৰা আৰম্ভ কৰি চিনেমা, সংগীত জগতৰ লোক, সমাজকৰ্মী সকলোৰে লগত তেওঁৰ উঠা-বহা।



উডক'কৰ জীৱনলৈ সেই সূত্ৰে বহু নাৰী আহে আৰু যায়। কিন্তু এলমা নামৰ ছোৱালীৰ সৈতে চিনাকীয়ে উডক'কক সঁচা প্ৰেমৰ জগতখনলৈ লৈ যায়। কিন্তু এটা সময়ত তেওঁ উপলব্ধি কৰে যে এই প্ৰেমেই তেওঁৰ ইমান দিনে তিল-তিলকৈ গঢ় দি তোলা কেৰিয়াৰক যেন ক্ৰমাৎ গ্ৰাস কৰিবলৈ লৈছে। মূলতঃ এই দ্বন্দ্বক লৈয়েই ফেণ্টম থ্ৰেডছৰ কাহিনীভাগ।

**দ্য শ্বেপ অব ৱাটাৰ : পৰিচালক গিয়েৰম' দেল তোৰো**

বাল্টিমোৰৰ এটি অতি সুৰক্ষিত চৰকাৰী গৱেষণাগাৰ। তাতে উদাসী, মৌন এলিচিয়া চাফাইকৰ্মী হিচাপে নিয়োজিত। কিন্তু হঠাতে এদিন



তাইৰ জীৱন সলনি হৈ গ'ল যিদিনাখন তাই গৱেষণাগাৰৰ পানীৰ টেংকীত এটি আচৰিত মানৱসদৃশ প্ৰাণীৰ আৱিষ্কাৰ কৰিলে। কৃত্ৰিমভাৱে সৃষ্টি কৰা এই জীৱৰ ভৱিষ্যৎ সম্পৰ্কে যেতিয়া এলিচিয়া অৱগত হ'ল তেতিয়াই তাইৰ এই আচৰিত জীৱনটোৰ সৈতে এক আত্মিক সম্পৰ্ক গঢ় লৈ উঠিল। এক অদ্ভুত উভচৰ প্ৰাণীৰ সৈতে গঢ় লৈ উঠা মানৱিক সম্পৰ্কক কেন্দ্ৰ কৰি নিৰ্মিত হৈছে দ্য শ্বেপ অব ৱাটাৰ।

এই আঠখন ছবিয়ে শ্ৰেষ্ঠ ছবিৰ উপৰি শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ অভিনেতা-অভিনেত্ৰী, শ্ৰেষ্ঠ সহঃ অভিনেতা-সহঃ অভিনেত্ৰী, শ্ৰেষ্ঠ সংগীত, শ্ৰেষ্ঠ চিনেমাটোগ্ৰাফাৰ আদি অলেখ দিশত মনোনয়ন লাভ কৰিছে। অনাগত সময়ে আমাক জানিবলৈ দিব শ্ৰেষ্ঠত্বৰ এই যুঁজত কোনে কিমান বঁটা আঁজুৰি ল'বলৈ সক্ষম হয়।